**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-01-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। মহাৰাষ্ট্ৰ চৰকাৰে দূৰণিবতীয়া আৰু মাওবাদৰ কৱলত পৰা অঞ্চলসমূহত সৰ্বাংগীন উন্নয়ন নিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰশংসা কৰিছে।

২। ভাৰতে ভূমিকম্পত ক্ষতিগ্ৰস্ত দক্ষিণ-প্ৰশান্ত মহাসাগৰীয় ৰাষ্ট্ৰ ৱানুৱাটুলৈ ৫ লাখ ডলাৰৰ আৰ্থিক সাহায্য আগবঢ়াইছে।

৩। বিহাৰৰ আৰু কেৰালাৰ নৱনিযুক্ত ৰাজ্যপাল আৰিফ মহম্মদ খান আৰু ৰাজেন্দ্ৰ বিশ্বনাথ অৰ্লেকাৰে শপত গ্ৰহণ কৰিছে।

৪। পাকিস্তানৰ অশান্তিজৰ্জৰ উত্তৰ-পশ্চিম অঞ্চলত কালি তিনিটা পৃথক সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাত এটি শিশুকে ধৰি তিনিজন লোকৰ মৃত্যু হোৱাৰ উপৰি ১১ জন আহত হয়।

আৰু

৫। হকী ইণ্ডিয়া লীগত আজি ৰুৰকেলাৰ বীৰচামুণ্ডা হকী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চুৰমা হকী ক্লাবে উত্তৰ প্ৰদেশ ৰুদ্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

মহাৰাষ্ট্ৰ চৰকাৰে দূৰণিবতীয়া আৰু মাওবাদৰ কৱলত পৰা অঞ্চলসমূহত সৰ্বাংগীন উন্নয়ন নিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰশংসা কৰিছে। সামাজিক মাধ্যমযোগে এইবিষয়ে প্ৰকাশ কৰি শ্ৰী মোদীয়ে কয়, যে এনে পদক্ষেপসমূহে জীৱন ধাৰণৰ সূচলতা বৃদ্ধি কৰাৰ লগতে অধিক উন্নয়নৰ পথ মুকলি কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে বিশেষকৈ ৰাজ্যখনৰ গড়চিৰৌলি আৰু ইয়াৰ সমীপৰ অঞ্চলসমূহৰ জনসাধাৰণক অভিনন্দন জ্ঞাপন কৰে। উল্লেখযোগ্য যে কালি গড়চিৰৌলিত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰ্ণাৱিজৰ সন্মুখত ১১ জন নক্সালবাদী সংগঠনৰ সদস্যই আত্ম-সমৰ্পন কৰিছিল। শ্ৰী ফাৰ্ণাৱিজে ৰাজ্যখনৰ মাওবাদী সংগঠনৰ সদস্যসকলে ক্ৰমান্বয়ে অস্ত্ৰ পৰিহাৰ কৰিবলৈ আৰম্ভ কৰাৰ লগতে নতুন সদস্য নিযুক্তি দিবলৈ অসমৰ্থ হোৱা বুলি প্ৰকাশ কৰি শীঘ্ৰেই মহাৰাষ্ট্ৰ নক্সালবাদৰ সমস্যাৰ পৰা মুক্ত হ'ব বুলি উল্লেখ কৰে।

০০০০০০০০০

ভাৰতে দক্ষিণ প্ৰশান্ত মহাসাগৰৰ দ্বীপ ৰাষ্ট্ৰ ৱানুৱাটুলৈ ৫ লাখ ডলাৰৰ আৰ্থিক সাহায্য আগবঢ়াইছে। ৱানুৱাটুৰ উপকূলৰ সমীপত যোৱা ১৭ ডিচেম্বৰত ৭ দশমিক ৪ প্ৰাবল্যৰ ভূমিকম্পই জোঁকাৰি যোৱাৰ ফলত দেশখনৰ বহু লোকে প্ৰাণ হেৰুওৱাৰ লগতে সম্পত্তিৰো বিস্তৰ ক্ষতি হয়। এই প্ৰাকৃতিক দুৰ্যোগত বহু ধন-জনৰ ক্ষতি হোৱাৰ বাবে ভাৰতে ৱানুৱাটু চৰকাৰ তথা দেশখনৰ জনসাধাৰণৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰিছে। ভাৰত-প্ৰশান্ত মহাসাগৰীয় দ্বীপসমূহৰ সহযোগিতা মঞ্চ, ফিপিকৰ অধীনত অতি ঘনিষ্ঠ মৈত্ৰী দেশ আৰু অংশীদাৰ হিচাপে ভাৰত চৰকাৰে দেশখনৰ এই দুৰ্যোগৰ সময়ত সকলোধৰণৰ সহায়-সমৰ্থন আগবঢ়োৱাৰ আশ্বাস দিয়ে।

০০০০০০০০০

বিহাৰ আৰু কেৰালাত নৱনিযুক্ত ৰাজ্যপাল দুগৰাকীয়ে আজি শপত গ্ৰহণ কৰিছে। বিহাৰত নৱনিযুক্ত ৰাজ্যপাল আৰিফ মহম্মদ খানে আজি ৰাজ্যখনৰ ৪২ সংখ্যক ৰাজ্যপাল হিচাপে শপত গ্ৰহণ কৰে। পাটনা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ কে বিনোদ চন্দ্ৰনে পাটনা ৰাজভৱনত আয়োজিত এটা অনুষ্ঠানত ৰাজ্যপালগৰাকীক শপত গ্ৰহণ কৰোৱায়। এই অনুষ্ঠানত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, উপ-মুখ্যমন্ত্ৰীদ্বয় সম্ৰাট চৌধাৰী, বিজয় কুমাৰ সিন্‌হা আৰু বিৰোধী পক্ষৰ নেতা তেজস্বী প্ৰসাদ যাদৱৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। পূৰ্বে কেৰালাৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰা খান ৰাজেন্দ্ৰ বিশ্বনাথ অৰ্লেকাৰৰ স্থলাভিষিক্ত হৈছে। শেহতীয়াকৈ ৰাজ্যপালসকলৰ সালসলনিৰ বাবে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি শ্ৰী আৰ্লেকাৰক কেৰালাৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হয়। শ্ৰী আৰ্লেকাৰেও আজি কেৰালাৰ ২৩ সংখ্যক ৰাজ্যপাল হিচাপে শপত গ্ৰহণ কৰে। কেৰালাৰ ৰাজভৱনত আয়োজিত অনুষ্ঠানত ৰাজ্যখনৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ নীতিন মধুকড় জামদাৰে তেওঁক শপত গ্ৰহণ কৰোৱায়। অনুষ্ঠানত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পিনাৰায় বিজয়ন, বিৰোধী পক্ষৰ কেইবাগৰাকীও নেতাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooooooo

ডিজিটেল বাণিজ্যৰ বাবে মুকলি নেটৱৰ্ক ব্যৱস্থা অৰ্থাৎ ONDC -এ ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ সৰলীকৰণ আৰু ই-বাণিজ্যৰ বৈপ্লৱিক পৰিৱৰ্তন সাধনৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে কয়, যে দেশৰ বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত ই নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে এই সন্দৰ্ভত কয়, যে ভাৰতত ই-বাণিজ্যৰ গণতান্ত্ৰিকৰণৰ লক্ষ্যৰে ২০২১ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে ONDC ব্যৱস্থা মুকলি কৰিছিল। বিগত তিনিটা বছৰত এই ব্যৱস্থাই কেইবাটাও উল্লেখযোগ্য কৃতিত্ব অৰ্জন কৰাৰ লগতে নেটৱৰ্কৰ ক্ষেত্ৰত অন্য এটা পৰ্যায়ত উপনীত হোৱাৰ সুযোগ প্ৰদান কৰি বিশেষকৈ ক্ষুদ্ৰ উদ্যোগৰ লগতে সামগ্ৰিকভাৱে ব্যৱসায়ীসকলৰ সৰলীকৰণত অৰিহণা যোগাইছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰী গোৱেলে কয়, যে ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত ব্যৱধান দূৰ কৰি ONDC -এ দেশৰ ই-বাণিজ্যৰ ছবিখনৰ বৈপ্লৱিক পৰিৱৰ্তন সাধনৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

ooooooooo

উচ্চতম ন্যায়ালয়ে আজি এ আই এম আই এমৰ সভাপতি আশাদুদ্দিন ৱেইচিয়ে উপাসনাস্থলী আইন, ১৯৯১ কাৰ্যকৰী কৰা সন্দৰ্ভত দাখিল কৰা আবেদন সংলগ্ন কৰাৰ বাবে নিৰ্দেশ দিছে। ১৯৯১ চনৰ এই আইনখনে ১৯৪৭ চনৰ ১৫ আগষ্ট পৰ্যন্ত প্ৰচলিত ব্যৱস্থাৰ পৰিৱৰ্তন বিচাৰি উপাসনাস্থলী পুনৰুদ্ধাৰ কৰাৰ ক্ষেত্ৰত গোচৰ ৰুজু কৰিবলৈ নিষেধাজ্ঞা আৰোপ কৰিছিল। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ সঞ্জয় কুমাৰৰ বিচাৰপীঠে ৱেইচিৰ আবেদনখন এই সম্পৰ্কীয় অন্য বিচাৰাধীন আবেদনৰ সৈতে সংলগ্ন কৰিবলৈ নিৰ্দেশ দিছে। এই আবেদনসমূহ উপাসনাস্থলী সম্পৰ্কত চলি থকা গোচৰৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ, নতুন গোচৰ পঞ্জীয়ন নাইবা অনুৰূপ বিষয়ৰ বাবে দাখিল কৰা হৈছিল। উল্লেখযোগ্য যে বিগত বছৰৰ ১২ ডিচেম্বৰত মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাৰ নেতৃত্বৰ বিশেষ বিচাৰপীঠে উপাসনাস্থলী আইনৰ অধীনত কোনো নতুন গোচৰ পঞ্জীয়ন কৰা নহ’ব আৰু বিচাৰাধীন গোচৰসমূহৰ ক্ষেত্ৰত কোনো চূড়ান্ত বা কাৰ্যকৰী আদেশ দিয়া নহ’ব বুলি ৰায় দিছিল। বিশেষ বিচাৰপীঠখনে লগতে কেন্দ্ৰীয় চৰকাৰক উপাসনাস্থলী আইন,

১৯৯১-ৰ বৈধতাক প্ৰত্যাহ্বান জনোৱা আবেদনসমূহৰ উত্তৰ ৪ সপ্তাহৰ ভিতৰত দাখিল কৰিবলৈও নিৰ্দেশ দিছিল।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰী মোদীয়ে অশোক বিহাৰত প্ৰায় এহেজাৰ ৭০০টা নৱনিৰ্মিত ফ্লেট উদ্বোধন কৰি হিতাধিকাৰীসকলক ফ্লেটৰ চাবি প্ৰদান কৰিব। বস্তি অঞ্চলৰ লোকৰ পুনৰ সংস্থাপন প্ৰকল্পৰ অধীনত দিল্লী উন্নয়ন প্ৰাধিকৰণৰ দ্বাৰা এই ফ্লেটসমূহ নিৰ্মাণ কৰা হৈছে। ইয়াৰ জৰিয়তে বস্তি অঞ্চলত বসবাস কৰা লোকসকলক উপযুক্ত সা-সুবিধা থকা এটা উন্নত আৰু স্বাস্থ্যকৰ পৰিৱেশ প্ৰদান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে নৌৰজি নগৰ আৰু সৰোজিনী নগৰত দুটা নগৰ উন্নয়ন প্ৰকল্পও উদ্বোধন কৰিব। একেদৰে তেওঁ দ্বাৰকা নগৰত প্ৰায় ৩০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ সংহত কাৰ্যালয়ো উদ্বোধন কৰিব।

০০০০০০০০০

ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ সৈতে গুৱাহাটীৰ ৰে'ল যোগাযোগ অধিক সুচল কৰাৰ বাবে ভাৰতীয় ৰে'লৱেই গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত এখন নতুন জন শতাব্দী এক্সপ্ৰেছ প্ৰৱৰ্তনৰ সিদ্ধান্ত লৈছে। ৰে'ল বিভাগৰ সূত্ৰই জনোৱা মতে, সপ্তাহত দুবাৰকৈ চলাচল কৰিবলগীয়া এই ৰে'লগাড়ীখনে পুৱা ৯ বাজি ৫০ মিনিটত গুৱাহাটীৰ পৰা যাত্ৰা আৰম্ভ কৰি বিয়লি ৪ বাজি ১৫ মিনিটত উত্তৰ লখিমপুৰ পাবগৈ আৰু বিয়লি ৫ বজাত উত্তৰ লখিমপুৰৰ পৰা যাত্ৰা কৰি নিশা ১১ বাজি ২৫ মিনিটত গুৱাহাটী পাবহি।

ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কাইলৈ গুৱাহাটীত এই ৰে'লগাড়ীখনৰ যাত্ৰাৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব। ইয়াৰ লগতে ৰে'লমন্ত্ৰীগৰাকীয়ে তিনিচুকীয়া-নাহৰলগুন এক্সপ্ৰেছ আৰু গুৱাহাটী-নিউ বঙাইগাঁও যাত্ৰীবাহী ৰে'লগাড়ী দুখনো পতাকা জোকাৰি শুভাৰম্ভ কৰিব। একেদিনাই মন্ত্ৰীগৰাকীয়ে তেতেলীয়াত নিৰ্মাণ কৰা এখন পথ অভাৰব্ৰীজো উদ্বোধন কৰিব। ইয়াৰ পাছত তথ্য আৰু সম্প্ৰচাৰ বিভাগৰো মন্ত্ৰী বৈষ্ণৱে ভাৰ্চুৱেল ব্যৱস্থাৰে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ নৱনিৰ্মিত এফ এম ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

০০০০

আকাশবাণীৰ সঞ্চালকপ্ৰধান শ্ৰীমতী প্ৰজ্ঞা পালিৱাল গৌড় দুদিনীয়া ভ্ৰমণসূচীৰে আজি গুৱাহাটীত উপস্থিত হৈছে। তেওঁ আজি গুৱাহাটীত আকাশবাণী আৰু দূৰদৰ্শনৰ বিষয়াবৰ্গৰ সৈতে মাধ্যম দুটাৰ কাম-কাজৰ পৰ্যালোচনা কৰে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কাইলৈ গুৱাহাটীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে কোকৰাঝাৰৰ নতুন এফ এম ট্ৰান্সমিটাৰ উদ্বোধনৰ প্ৰস্তুতি সম্পৰ্কেও সঞ্চালকপ্ৰধানগৰাকীয়ে আকাশবাণীৰ বিষয়াসকলৰ সৈতে আলোচনা কৰে।

০০০০০০০০০

পাকিস্তানৰ অশান্তিজৰ্জৰ উত্তৰ-পশ্চিম অঞ্চলত কালি তিনিটা পৃথক সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাত এটি শিশুকে ধৰি তিনিজন লোকৰ মৃত্যু হোৱাৰ উপৰি ১১ জন আহত হয়। দেশখনৰ খাইবাৰ পাখটুনখোৱাৰ ডেৰা ইছমাইলখান জিলাৰ ডাৰাবান এলেকাত অচিনাক্ত দুৰ্বৃত্তই এটা আৰক্ষী চকীত চলোৱা আক্ৰমণত এজন আৰক্ষী কনিষ্টবল আৰু এজন শ্ৰমিক নিহত হোৱাৰ উপৰি দুজন আহত হয়। দক্ষিণ ৱাজিৰস্তান জিলাৰ আজম ৱাৰচাক এলেকাত এখন মটৰ চাইকেলত সংস্থাপিত বোমা বিস্ফোৰণৰ ঘটনাত

এটি শিশু নিহত হোৱাৰ লগতে ৪ জন লোক আহত হয়। বান্নু জিলাৰ মামাস্খেল এলেকাৰ পথৰ কাষত সংঘটিত আন এটা বোমা বিস্ফোৰণৰ ঘটনাত কমেও ৫ জন আৰক্ষীৰ লোক আহত হয়। সোমবাৰে প্ৰকাশ পোৱা চৰকাৰী প্ৰতিবেদন অনুসৰি বিগত বছৰটোত  খাইবাৰ পাখটুনখোৱাত সুৰক্ষা বাহিনীৰ হাতত ২৭০ জন সন্ত্ৰাসবাদী নিহত হয়। প্ৰতিবেদনখনত লগতে বিগত বছৰত কৰ্তব্য পালনৰ সময়ত ১৪৯ জন আৰক্ষী বিষয়াৰ মৃত্যু হোৱাৰ উপৰি ২৩২ জন আহত হোৱা বুলি প্ৰকাশ কৰা হৈছে।

ooooooooo

হকী ইণ্ডিয়া লীগত আজি ৰুৰকেলাৰ বীৰচামুণ্ডা হকী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চুৰমা হকী ক্লাবে উত্তৰ প্ৰদেশ ৰুদ্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন নিশা ৮ বাজি ১৫ মিনিটত আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে প্ৰতিযোগিতাৰ যোৱানিশা অনুষ্ঠিত এখন  খেলত শ্ৰাচী ৰাৰ বেংগল টাইগাৰে টীম গোনাচিকাক ২-১ ৰ ব্যৱধানত পৰাস্ত কৰে। বেংগল টাইগাৰৰ হৈ ৰুপিন্দৰ পাল সিঙে দুয়োটা গ'ল দিয়ে।

ooooooooo

সমাপ্ত